প্ৰশ্ন: আৱাহন যুগৰ গল্পৰ পটভূমি বা পৃষ্ঠভূমি সম্পৰ্কে এটি নিবন্ধ যুগুত কৰা। ১০

আধুনিক অসমীয়া সাহিত্যৰ আধুনিক যুগৰ তিনিটা যুগৰ ভিতৰত আৱাহন যুগৰ এক গুৰুত্বপূৰ্ণ ভূমিকা আছে। ১৯২১ চনত মহাত্মা গান্ধীৰ নেতৃত্বত ভাৰতৰ স্বাধীনতা আন্দোলন আৰম্ভ হোৱাৰ লগে লগে অসমতো এই আন্দোলনৰ প্ৰভাৱ পৰিবলৈ ধৰে। এই আন্দোলনৰ চৌৰে অসমৰ জনগণক অতি ব্যাপক আৰু গভীৰভাৱে ৰেখাপাত কৰিছিল আৰু এই আন্দোলনৰ নতুন চেতনা আৱাহন আলোচনীত প্ৰতিফলিত হৈছিল। এই বিষয়ত দীননাথ শৰ্মাই কৈছে -- "১৯২১ চনত ভাৰত জুৰি ব্ৰিটিছ সাম্ৰাজ্যবাদ বিৰোধী জাতীয় আন্দোলনৰ সোঁত বৈ গৈছিল। তাৰ চৌৰে পূব প্ৰান্তৰ অসমকো প্লাৱিত কৰিছিল। ব্ৰিটিছ সাম্ৰাজ্যবাদৰ বিৰুদ্ধে সংগ্ৰামত অসমীয়াৰ জাতীয় চেতনা বহু গুণে বাঢ়ি যায়। এই নৱ-চেতনাই আমাৰ সাহিত্যত নতুন তেজৰ সঞ্চাৰ কৰে। আৱাহন এই মহৎ চেতনাৰ অৱশ্যম্ভাৱী সৃষ্টি।"[১] এনে কাৰণতে আৱাহন যুগৰ চুটি গল্পত ভাৰতৰ স্বাধীনতা আন্দোলনৰ পটভূমিত ৰচনা কৰা অনেক চুটি গল্প পোৱা যায়। ভাৰতৰ স্বাধীনতা আন্দোলনৰ পটভূমিত ৰচনা কৰা চুটি গল্পসমূহৰ যোগেদি অসমৰ জনমনত চেতনাৰ ভাব জাগ্ৰত হৈ উঠিছিল। এই চেতনাধৰ্মী চুটি গল্পৰ দ্বাৰা অসমীয়া সাহিত্যই বাস্তৱধৰ্মী সাহিত্য সৃষ্টি কৰাৰ পথ মুকলি কৰিছিল। কাৰণ জাতীয় মুক্তিৰ বাবে জনগণক উদ্বুদ্ধ কৰিবলৈ সমাজ তথা জাতিৰ বাস্তৱ সমস্যাবোৰ অসমীয়া চুটি গল্পই আঙুলিয়াই দিছিল। দেশ আৰু জাতিৰ স্বাৰ্থৰ বিপৰীতে ব্যক্তিগত স্বাৰ্থক আগ স্থান দিয়া সমাজৰ শ্ৰেণী চৰিত্ৰক আৱাহন যুগৰ অসমীয়া চুটি গল্পই তীব্ৰ সমালোচনা কৰিছিল। ইয়াৰ ফলত অসমীয়া সাহিত্যত অসমীয়া জাতীয় জীৱনৰ বাস্তৱধৰ্মী চিত্ৰ প্ৰতিফলিত হ'ল।

গান্ধীৰ স্বৰাজ আন্দোলন আপাততঃ ৰাজনৈতিক আন্দোলন আছিল যদিও গান্ধীৰ আন্দোলনৰ এটা নিজস্ব দৰ্শন আছিল। এই দৰ্শন অনুসৰি গান্ধীয়ে সামাজিক সংগঠন, অৰ্থনৈতিক স্বাৱলম্বিতা, শিক্ষাৰ সম্প্ৰসাৰণ আৰু নাৰীমুক্তি সাধন কৰিবলৈ যত্ন কৰিছিল। গান্ধীৰ এই দৰ্শনৰ পৃষ্ঠভূমিতে আৱাহন যুগৰ অসমীয়া চুটি গল্পই পূৰ্ব